আগবঢ়া। দুবাইৰ আন্তৰ্জাতিক বিমান বন্দৰ বিশ্বৰ আটাইতকৈ ব্যস্ত বিমান বন্দৰ হিচাপে ১৯১৪ চনত চিনাক্ত কৰণ কৰা হৈছে। এই দেশৰ গোটেই মুখ্য চহৰ আৰু বন্দৰ সমূহ সংযোগ কৰাকৈ ১২০০ কিঃ মিঃ দৈৰ্ঘ্যৰ ৰেলৰ লাইন তৈয়াৰ কৰা হৈছে। ডুবাইৰ মেট্ৰো ৰেল হ'ল আৰবীয় উপদ্বীপৰ প্ৰথম যাতায়তৰ ৰেল ব্যৱস্থা। জলপথ হ'ল ইয়াৰ এটা অন্যতম যাতায়তৰ পথ। ইয়াৰ মুখ্যতম বন্দৰবোৰ হ'ল– খলিফা বন্দৰ, যায়েদ বন্দৰ, চৈয়দ বন্দৰ আৰু খোৰ ফাক্কান বন্দৰ আদি। ইয়াৰ ৰাষ্ট্ৰীয় ঘাইপথে আবুধাবী, ডুবাই, ছাৰজাহ, আজমান, উম্ম আল-কুৱাইন আৰু ৰাছ আল-খাইমাক সংযোগ কৰিছে। এই ৰাষ্ট্ৰীয় ঘাই পথটোৱে হ'ল সংযুক্ত আৰব আমিৰাতৰ আটাইতকৈ দীঘল ৰাষ্ট্ৰীয় ঘাই পথ। ইয়াত যদিও অত্যাধুনিক ৰাজহুৱা বাছবোৰ আছে তথাপিও অধিক সংখ্যক মানুহে যাতায়তৰ বাবে অতি অত্যাধুনিক নিজস্ব গাড়ীবোৰহে ব্যৱহাৰ কৰে।

## সংস্কৃতি (Culture)ঃ

সংযুক্ত আৰব আমিৰাতৰ সংস্কৃতি হ'ল মূলতঃ আৰবীয় সংস্কৃতি, যিটো পাৰস্য, ভাৰতীয় আৰু পূৰ্ব আফ্ৰিকাৰ প্ৰভাৱত গঢ় লৈ উঠিছে। আৰবীয় আৰু পাৰস্য সভ্যতাৰ প্ৰভাৱত গঢ় লৈ উঠা স্থাপত্যই হ'ল সংযুক্ত আৰব আমিৰাতৰ পৰিচয়। ঈদুল ফিতিৰ, ঈদুল আজহা আৰু স্বাধীনতা দিবসৰ বন্ধ হ'ল সংযুক্ত আৰব আমিৰাতৰ প্ৰধান বন্ধ। ইয়াৰ পুৰুষবোৰে বগা উলৰ বা কটনৰ যুব্বা পিন্ধিবলৈ আৰু মহিলাবোৰে কলা বোৰকাক বেছি প্ৰাধান্য দিয়ে।

সংযুক্ত আৰব আমিৰাত বিভিন্ন ধৰণৰ সংগ্ৰাহালয়ৰ দ্বাৰা পৰিপূৰ্ণ। ছৰজাহৰ ১৭ টা সংগ্ৰাহালয় আছে যাৰ বাবে ইয়াক ১৯৯৮ চনত আৰব বিশ্বৰ সংস্কৃতিৰ ৰাজধানী বুলি অভিহিত কৰা হৈছেল। ডুবাইৰ বিভিন্ন অট্টালিকা আৰু সংগ্ৰাহালয়ে পৰ্য্যটক লসকলক মুগ্ধ কৰে। বিশেষকৈ "চালচালী ব্যক্তিগত সংগ্ৰাহালয়ে" পৰ্য্যটক সকলকৰ মন মুগ্ধ কৰা দেখা যায়।

## শিক্ষা ব্যৱস্থা (Education System)ঃ

বৰ্তমান সংযুক্ত আৰব আমিৰাতৰ শিক্ষা ব্যৱস্থা অতি উন্নত আৰু প্ৰনালীবদ্ধ। আবুধাবীৰ বাদে অইন সকলো আমিৰাততে প্ৰাথমিক শিক্ষাৰ পৰা মাধ্যমিক শিক্ষাৰ স্তৰলৈ শিক্ষা মন্ত্ৰালয়ৰ দ্বাৰা পৰিচালনা কৰা হয়। আবুধাবীৰ শিক্ষা ব্যৱস্থা আবুধাবীৰ কৰ্তৃপক্ষৰ অধিনত থকা শিক্ষা পৰিষদৰ দ্বাৰা পৰিচালিত হয়, যিটো শিক্ষা প্ৰাথমিক বিদ্যালয়, মাধ্যমিক বিদ্যালয় আৰু উচ্চ বিদ্যালয়ৰ দ্বাৰা গঠিত। ইয়াৰ ৰাজহুৱা বিদ্যালয়বোৰ চৰকাৰৰ অৰ্থব্যৱস্থাৰ সহায়েৰে পৰিচালিত হয়, আৰু পাঠ্যক্ৰমসমূহ সংযুক্ত আৰব আমিৰাতৰ উন্নয়নৰ লক্ষ্যৰে গঢ় দিয়া হয়। ইয়াৰ ৰাজহুৱা বিদ্যালয়বোৰ চৰকাৰৰ অৰ্থব্যৱস্থাৰ সহায়েৰে পৰিচালিত হয় আৰু পাঠ্যক্ৰমসমূহ সংযুক্ত আৰব আমিৰাতৰ উন্নয়নৰ লক্ষ্যৰে গঢ় দিয়া হয়। ইয়াৰ ৰাজহুৱা বিদ্যালয় সমূহৰ শিক্ষাৰ মাধ্যম হ'ল আৰবী ভাষা আৰু ইংৰাজী হয় ইয়াৰ দ্বিতীয় ভাষা। ৰাজহুৱা বা চৰকাৰী স্কুলবোৰৰ মাছুল সংযুক্ত আৰব আমিৰাতৰ বাসিন্দা সকলৰ বাবে বিনামূলীয়া। ইয়াত কিছুমান বেচৰকাৰী স্কুলো আছে যিবোৰৰ মাধ্যম ইংৰাজী আৰু এইবোৰ আন্তৰ্জাতিকভাৱে স্বীকৃত। বেচৰকাৰী স্কুল সমূহৰ মাছুল অত্যাধিক। আকৌ ইয়াৰ উচ্চ শিক্ষা সমূহ উচ্চ শিক্ষা মন্ত্ৰালয়ৰ দ্বাৰা পৰিচালনা কৰা হয়। ইয়াত বহু সংখ্যক বিশ্ববিদ্যালয় আছে। সংযুক্ত আৰব আমিৰাতৰ বিশ্বৰ ভিতৰত স্থান পোৱা বিশ্ববিদ্যালয় সমূহ হ'ল সংযুক্ত আৰব আমিৰাত বিশ্ববিদ্যালয়, খলিফা বিশ্ববিদ্যালয়, ছাৰজাহ আমেৰিকান বিশ্ববিদ্যালয় আৰু ছাৰজাহ বিশ্ববিদ্যালয়।

## ক্ৰীড়া (Sports)ঃ

সংযুক্ত আৰব আমিৰাতৰ আটাইতকৈ জনপ্ৰিয় খেল হ'ল ফুটবল। ইয়াত কেবাটাও অতি পাকৈত আঞ্চলিক খেলুৱৈৰ দল আছে। এই আঞ্চলিক দল সমূহ হ'ল আল নাছিৰ, আল আইন, আল ৱাচাল,

ছাৰজাহ আৰু ছাবাব আল আহিল আঞ্চলিক দল। সংযুক্ত আৰব আমিৰাতৰ ৰাষ্ট্ৰীয় ফুটবল সংস্থাটো ১৯৭১ চনতে গঠিন কৰা হৈছিল। এই সংস্থাটোৱে বিভিন্ন অঞ্চলৰ খেলুৱৈ সকলক খেলৰ প্ৰতি উদগনি দিয়াৰ উপৰিও তেওঁলোকক উপযুক্ত ক্ৰীড়াবিদৰ (কোচৰ) দ্বাৰা প্ৰশিক্ষণ দিয়ে। আঞ্চলিক দলবোৰত সুন্দৰভাৱে প্ৰদৰ্শন কৰা খেলুৱৈ সকলক ৰাষ্ট্ৰীয় ফুটবল দলটোত খেলিবলৈ সুযোগ দিয়া হয়। সংযুক্ত আৰব আমিৰাতৰ ৰাষ্ট্ৰীয় দলটোৱে ১৯৯০ চনত ফিফা বিশ্বকাপ খেলিবলৈ যোগ্যতা লাভ কৰিছিল। আকৌ এই দলটোৱে ১৯৮৬ চনত উপসাগৰীয় চেম্পিয়নশ্বিপ কাপ জয় লাভ কৰিবলৈ সক্ষম হৈছিল। ক্ৰিকেট হ'ল ইয়াৰ এটা অন্যতম জনপ্ৰিয় খেল। ইয়াৰোপৰি ইয়াত টেনিছ, গল্ফ আদি খেলবোৰতো বিশেষ গুৰুত্ব দিয়া হয়।

### আইন ব্যৱস্থা (Law System)ঃ

সংযুক্ত আৰব আমিৰাতৰ আইন ব্যৱস্থা অতি কঠোৰ। ইয়াত যদিও চিভিল আইন, ক্ৰিমিনেল আইন চৰিয়াত আইন চলে, কিন্তু চৰিয়াত আইনক বেছি গুৰুত্ব প্ৰদান কৰা হয়। ইয়াত ব্যভিচাৰ, বিবাহ হীন যৌনতা আৰু সুৰা পান কৰিলে চৰিয়াত আইন মতে ৮০ ৰ পৰা ২০০ কুব মাৰা হয়। আকৌ কাৰোবাক গালি পাৰিলে নাইবা তিৰোতা মানুহক মাৰিলে বা অপমান কৰিলে ৮০ কুব মাৰা হয়। গৰ্ভপাত কৰাটো এটা দণ্ডনীয় অপৰাধ আৰু ইয়াৰ শাস্তি হ'ল ১০০ কুব মাৰা আৰু পাঁচ বছৰ জেলত দিয়া। প্ৰাপ্তবয়স্ক অবিবাহিত মানুহে যৌন কৰ্য্যত লিপ্ত হ'লে ১০০ কুব মাৰা হয় আৰু যদি প্ৰাপ্তবয়স্ক বিবাহিত মানুহে যৌন কাৰ্য্যত লিপ্ত হয় তেতিয়া শিল মাৰি মৃত্যুদণ্ড দিয়া হয়।

ধৰ্মত্যাগ কৰা মানুহক সংযুক্ত আৰব আমিৰাতত মৃত্যুদণ্ডৰে দণ্ডিত কৰা হয়। আকৌ ইয়াত তিৰোতা মানুহে গনধৰ্ষন হোৱা বুলি পুলিচৰ ওচৰত গোচৰ ৰুজু কৰিলে তিৰোতাজনীকহে সুৰা পান কৰা বুলি অভিযুক্ত কৰি জেললৈ প্ৰেৰণ কৰা হয়।

আমিৰাতৰ মহিলাবোৰে পুৰুষ অভিভাৱকৰ অনুমতি অবিহনে ন-বিবাহ বা পুনৰ বিবাহ কৰাটো নিষেধ। আকৌ আমিৰাতবোৰত মুছলিম মহিলাই অমুছলিম পুৰুষৰ লগত বিবাহ পাশত আৱদ্ধ হোৱাটো নিষেধ। ইয়াত ৰাজহুৱাভাৱে চুমা খোৱা দণ্ডনীয় আৰু ইয়াৰ শাস্তি হ'ল ৮০ কোব। ৰমজান মাহত সূৰ্য্য উদয় হোৱাৰ পৰা অস্ত যোৱালৈ খোৱা, পনীয় বস্তু পান কৰা বা চিগাৰেটজাতীয় বস্তু পান কৰাটো মুছলিম অমুছলিম সকলোৰে বাবে অবৈধ্য। যদি কোনো মানুহে ৰমজান মাহত ৰাজহুৱা ঠাইত খোৱা লোৱা কৰে তেতিয়া তেওঁৰ শাস্তি স্বৰূপে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰা হয়। কিন্তু এই আইন সৰু ল'ৰা ছোৱালী আৰু গৰ্ভপতি মহিলাৰ বাবে প্ৰজোয্য নহয়।

**জনগাঁথনি (Demography)ঃ**

২০১৮ চনৰ বিশ্ব বেংকৰ লোক পিয়ল মতে সংযুক্ত আৰব আমিৰাতৰ জনসংখ্যা ৯,৫৪৩ মিলিয়ন। যদি কোনো মানুহে ইয়াত ২০ বছৰ ধৰি থাকে আৰু কোনো ধৰণৰ অপৰাধত লিপ্ত নহয় লগতে অনৰ্গল আৰবী ভাষা কব পাৰে তেনে লোকক সংযুক্ত আৰব আমিৰাতে নাগৰিকত্ব প্ৰদান কৰে।

জাতিগতভাৱে সংযুক্ত আৰব আমিৰাত বৈচিত্ৰপূৰ্ণ। ইয়াৰ ডুবাই, ছাৰজাহ আৰু আজমানত পাঁচখন বিশেষ ৰাষ্ট্ৰৰ বহু মানুহে বাস কৰি আছে। সেই ৰাষ্ট্ৰ পাঁচখন হ'ল— ভাৰত, পাকিস্তান, আমিৰাত, বাংলাদেশ আৰু ফিলিপাইন।

ইছলাম ধৰ্মটো হ'ল ইয়াৰ আটাইতকৈ ডাঙৰ আৰু চৰকাৰী ধৰ্ম। ইয়াত ৩১ টা গীৰ্জা, এটা হিন্দু মন্দিৰ, এটা গুৰুদুৱাৰা আৰু এটা বৌদ্ধ ধৰ্মালম্বী মানুহৰ মন্দিৰ আছে। ২০০৫ চনৰ লোকপিয়ল মতে ইয়াৰ মুঠ জনসংখ্যাৰ ৭৬% মুছলিম, ১৩% খ্ৰীষ্টিয়ান আৰু ১১% হিন্দু। ইয়াৰ চৰকাৰী ভাষাটো হ'ল আৰবী।

*****